# NSD NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 27-07-2025

**Time:** 13-40 Hrs

***Assamese Midday Bulletin***

***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। শুভাংশু শুক্লা মহাকাশৰ পৰা সুকলমে প্ৰত্যাৱৰ্তন কৰাত সমগ্ৰ দেশ গৌৰৱান্বিত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাতত উল্লেখ কৰে।

২। জ্ঞান ভাৰত অভিযানৰ জৰিয়তে দেশৰ পুৰণি পাণ্ডুলিপিসমূহ ডিজিটেল মাধ্যমলৈ ৰূপান্তৰ কৰা হ'ব তথা এটা ৰাষ্ট্ৰীয় ডিজিটেল ভাণ্ডাৰ প্ৰস্তুত কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

৩। কম্পিউটাৰ প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে প্ৰথমবাৰ হোৱা পক্ষী সমীক্ষাত অসমৰ কাজিৰঙাত ৪৩ টা প্ৰজাতিৰ পক্ষী থকাৰ তথ্যৰ বিষয়ে শ্ৰীমোদীয়ে উল্লেখ কৰে। ***আৰু***

৪। উত্তৰাখণ্ডৰ হৰিদ্বাৰৰ মনসা দেৱী মন্দিৰ যাত্ৰাপথত পদপৃষ্ঠ হৈ ৬ জন লোকে প্ৰাণ হেৰুৱাৰ লগতে কেইবাজনো লোক আহত হয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাতৰ ১২৪ সংখ্যক খণ্ডত নিজৰ মনৰ ভাব ব্যক্ত কৰে। একবিংশ শতিকাৰ ভাৰতত শক্তি নৱীকৰণৰ সৈতে বিজ্ঞান অগ্ৰগতিৰ দিশে ধাৱিত হোৱা বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। বায়ু সেনা বাহিনীৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা মহাকাশৰ পৰা সুকলমে প্ৰত্যাৱৰ্তন কৰাত সমগ্ৰ দেশ গৌৰৱান্বিত হোৱা বুলি তেওঁ উল্লেখ কৰে। ২০২৩ চনৰ আগষ্টত চন্দ্ৰযান-৩ৰ সফল অৱতৰণে দেশত এটা নতুন পৰিবেশ সৃষ্টি কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে শিশুসকল বিজ্ঞান আৰু মহাকাশৰ প্ৰতি কৌতুহলী হৈ উঠাৰ লগতে তেওঁলোকে মহাকাশ বিজ্ঞানী হোৱাৰো লক্ষ্য লৈছে। প্ৰধানমন্ত্ৰীয়ে শিশুসকলৰ মাজত উদ্ভাৱনী প্ৰতিভাৰ বিকাশৰ লক্ষ্যৰে হাতত লোৱা **ইন্সপায়াৰ মানক** শীৰ্ষক অভিযানৰ বিষয়েও উল্লেখ কৰে। এই পদক্ষেপৰ অধীনত প্ৰত্যেকখন স্কুলৰ পৰা পাঁচোটিকৈ শিশুক বাচনি কৰা হয়। এতিয়ালৈ কেইবালাখ শিশুৱে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে। দেশত মহাকাশ ষ্টাৰ্টআপ খণ্ডৰ প্ৰগতিৰ বিষয়ে উল্লেখ কৰি তেঁও কয় যে ৫ বছৰ পূৰ্বে মহাকাশ খণ্ডত ৫০ টাতকৈও কম ষ্টাৰ্টআপ থকাৰ বিপৰীতে সম্প্ৰতি এই সংখ্যাই ২০০ অতিক্ৰম কৰিছে।

অহা ২৩ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদ্‌যাপন কৰা হ'ব। শ্ৰীমোদীয়ে নমো এপৰ জৰিয়তে এই দিৱস উদ্‌যাপন সন্দৰ্ভত নিজৰ মনোভাৱ প্ৰকাশ কৰিবলৈ শ্ৰোতাসকললৈ আহ্বান জনায়। চলিত মাহত ডুবাইত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় ৰসায়ন অলিম্পিয়াদত পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই অনা শিক্ষাৰ্থীসকলক শ্ৰীমোদীয়ে প্ৰশংসা কৰে। অষ্ট্ৰেলিয়াত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় গণিত অলিম্পিয়াদতো ভাৰতীয় শিক্ষাৰ্থীসকলে ৩ টা সোণ, ২ টা

ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। তেওঁ কয়, যে গণিত  বিশ্বত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। অহা মাহত মুম্বাইত অনুষ্ঠিত হ'বলগীয়া জ্যোতিৰ্বিজ্ঞান আৰু জ্যোতিপদাৰ্থ বিজ্ঞান অলিম্পিয়াদত ৬০ খনতকৈ অধিক দেশৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এই অনুষ্ঠান এতিয়ালৈ অনুষ্ঠিত হোৱা সৰ্ববৃহৎ অলিম্পিয়াদ হিচাপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে অলিম্পিক আৰু অলিম্পিয়াদ উভয় ক্ষেত্ৰতে ভাৰত প্ৰগতিৰ দিশে ধাৱমান হৈছে। মুম্বাইত ১১ টা আৰু তামিলনাডুত এটা মুঠ ১২ টাকৈ মাৰাথা দূৰ্গ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে ইউনেস্কোই স্বীকৃতি দিয়া সন্দৰ্ভত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। মোগল পৰাভূত হোৱা চালহাৰ দূৰ্গৰ পৰা আৰম্ভ কৰি চত্ৰপতি শিৱাজী মহাৰাজ জন্ম হোৱা শিৱনেৰী দূৰ্গলৈ আটাইকেইটা দূৰ্গৰে ঐশ্বৰ্যশালী ইতিহাস আছে বুলি তেওঁ প্ৰকাশ কৰে। দেশৰ বিভিন্ন প্ৰান্তত প্ৰকৃতিৰ ৰোষত পৰা তথা বহিৰাগতৰ আক্ৰমনৰ বলি হোৱা কেইবাটাও উল্লেখযোগ্য দূৰ্গ আছে। এই ক্ষেত্ৰত তেওঁ চিট্ট'ৰগড়, কুম্ভলগড়, ৰন্থমব'ড়, আমেৰ, জয়ছালমেৰ, চিত্ৰদূৰ্গ আৰু গুলবাৰ্গাৰ দূৰ্গসমূহৰ বিষয়ে উল্লেখ কৰে। মাহমুদ গজনবীয়ে উত্তৰ প্ৰদেশৰ বান্দাৰ কালিঞ্জাৰ দূৰ্গ কেইবাবাৰো আক্ৰমণ কৰিছিল যদিও প্ৰত্যেকবাৰে বিফল হোৱাৰ বিষয়ে শ্ৰীমোদীয়ে সোঁৱৰে। গোৱালিয়ৰ, জাঞ্চি, দাতিয়া, অজয়গড়, গড়কুন্দৰ আৰু চান্দেৰিকে ধৰি বুন্দেল খণ্ডৰ কেইবাটাও দূৰ্গ আছে বুলি উল্লেখ কৰি তেওঁ কয় যে এইসমূহে দেশৰ ঐতিহ্য বহন কৰে। তেওঁ জনসাধাৰণক দেশৰ ইতিহাসৰ বিষয়ে জানিবলৈ এই স্থানসমূহ ভ্ৰমণ কৰাৰ বাবে আহ্বান জনায়। আগষ্ট মাহ বিপ্লৱৰ মাহ বুলি মত প্ৰকাশ কৰি তেওঁ ১৮ বছৰীয়া স্বাধীনতা সংগ্ৰামী ক্ষুদিৰাম বোসৰ সাহসৰ দৃষ্টান্ত দাঙি ধৰে। ১৯০৮ চনৰ ১১ আগষ্টত সাহসী মুক্তিযোদ্ধাগৰাকী মুখমণ্ডলত হাহি লৈ ফাঁচিকাঠৰ দিশে আগবাঢ়ি যোৱাৰ সময়ত কাৰাগাৰৰ চৌপাশে সমবেত হোৱা বিহাৰৰ মুজফ্ফৰপুৰৰ জনসাধাৰণৰ চকু চলচলিয়া হৈছিল। প্ৰধানমন্ত্ৰীয়ে  দেশৰ মুক্তিযুজাৰুসকলৰ অতুলনীয় ত্যাগৰ জৰিয়তে দেশ স্বাধীন হোৱাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে পহিলা আগষ্টত লোকমান্য বাল গংগাধৰ তিলকৰ মৃত্যু বাৰ্ষিকী তথা ৮ আগষ্টত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰত ত্যাগ আন্দোলন আৰম্ভ হোৱাৰ বিষয়েও সোঁৱৰে। ১৫ আগষ্টত দেশে স্বাধীনতা দিৱস উদ্‌যাপন কৰিব। দেশৰ স্বাধীনতাৰ সৈতে দেশ বিভাজনৰ বিভিষিকাও সংপৃক্ত হৈ  থকাৰ পৰিপ্ৰেক্ষিতত ১৪ আগষ্টৰ দিনটো **বিভাজন বিভীষিকা স্মৃতি দিৱস** হিচাপে পালন কৰা হয় বুলিও তেওঁ উল্লেখ কৰে। ১৯০৫ চনৰ ৭ আগষ্টত স্বদেশী আন্দোলন আৰম্ভ হোৱাৰ বিষয়ে সুঁৱৰি তেওঁ কয় যে এই আন্দোলনে হস্ততাঁতকে ধৰি স্থানীয় উৎপাদনসমূহৰ বিকাশ ত্বৰান্বিত কৰিছিল।  এই আন্দোলনৰ স্মৃতিত দেশে ৭ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস হিচাপে পালন কৰাৰ কথাও তেওঁ উল্লেখ কৰে। চলিত বৰ্ষত এই উদ্‌যাপনৰ ১০ বছৰ সম্পূৰ্ণ হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। বস্ত্ৰখণ্ড সম্প্ৰতি দেশত অন্যতম শক্তিশালী হৈ উঠা বুলি মত প্ৰকাশ কৰি তেওঁ কয় যে বিগত দশকত দেশৰ বিভিন্ন প্ৰান্তত অগণন লোক এই খণ্ডত জড়িত হৈ বহু সফলতাৰ চানেকী দাঙি ধৰিছে। মহাৰাষ্ট্ৰৰ পাইথানৰ কবিতা ধাবালেৰ দৃষ্টান্ত দাঙি ধৰি শ্ৰীমোদীয়ে কয় যে শ্ৰীমতী ধাবালে চৰকাৰী সাহায্যৰ সহায়ত সম্প্ৰতি নিজে প্ৰস্তুত কৰা পাইথানি শাৰী বিক্ৰী কৰিবলৈ সমৰ্থ হৈছে। ওড়িশাৰ ময়ুৰভঞ্জৰ ৬৫০ গৰাকীতকৈ অধিক জনজাতীয় মহিলাই ছান্থালী শাৰী প্ৰস্তুতৰ কাম পুনৰ আৰম্ভ কৰা বুলি উল্লেখ কৰি তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। বিহাৰৰ নালন্দাৰ নবীন কুমাৰৰ কথা উল্লেখ কৰি তেওঁ কয় যে শ্ৰীকুমাৰৰ পৰিয়ালে কেইবাটাও প্ৰজন্ম ধৰি হস্ততাঁত খণ্ডৰ সৈতে জড়িত হৈ আহিছে। তেওঁলোকৰ নৱ প্ৰজন্মৰ প্ৰতিনিধিসকলে সম্প্ৰতি হস্ততাঁত প্ৰযুক্তি অধ্যয়ন কৰি আছে বুলিও তেওঁ প্ৰকাশ কৰে। দেশত সম্প্ৰতি ৩ হাজাৰতকৈ অধিক বস্ত্ৰ ষ্টাৰ্টআপৰ কাম-কাজ অব্যাহত থকা বুলি প্ৰকাশ কৰি তেঁও কয় যে ২০৪৭ চনৰ  বিকশিত ভাৰত অভিমুখী পথ আত্মনিৰ্ভৰশীলতা তথা ভোকেল ফৰ লোকেল ভাৱাদৰ্শৰ মাজেৰে

অগ্ৰসৰ হৈছে। তেওঁ জনসাধাৰণক দেশত নিৰ্মীত সামগ্ৰীসমূহ ক্ৰয়-বিক্ৰয় কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতীয় লোক সংগীত তথা পৰম্পৰাসমূহত উপলব্ধ বিচিত্ৰতাৰ বিষয়েও উল্লেখ কৰে। বনজুইৰ বিষয়ে সমাজত সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস চলোৱা ওড়িশাৰ কেওনঝাৰ জিলাৰ ৰাধাকৃষ্ণ সংকীৰ্তন মণ্ডলীৰ তেওঁ প্ৰশংসা কৰে। উৎসৱৰ পৰম্পৰাসমূহক ভাৰতীয় সংস্কৃতিৰ অপৰিহাৰ্য অংগ আখ্যা দি শ্ৰীমোদীয়ে কয়, যে বিজ্ঞান, ঔষধ, সংগীত তথা দৰ্শনেৰে সমৃদ্ধ হৈ থকা পুৰণি পাণ্ডুলিপিসমূহত দেশৰ প্ৰকৃত শক্তি নিহিত হৈ আছে। চৰকাৰে চলিত বৰ্ষৰ বাজেটত জ্ঞান ভাৰত অভিযান শীৰ্ষক এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ বিষযে তেওঁ উল্লেখ কৰে। এই পদক্ষেপৰ জৰিয়তে পুৰণি পাণ্ডুলিপিসমূহ ডিজিটেল মাধ্যমলৈ ৰূপান্তৰ কৰা হ'ব তথা এটা ৰাষ্ট্ৰীয় ডিজিটেল ভাণ্ডাৰ প্ৰস্তুত কৰা হ'ব।

শ্ৰীমোদীয়ে অসমৰ কাজিৰঙাৰ পক্ষী সমীক্ষাৰ বিষয়েও উল্লেখ কৰে। প্ৰথমবাৰৰ বাবে হোৱা এই সমীক্ষাত কাজিৰঙাত ৪৩ টা প্ৰজাতিৰ পক্ষী থকাৰ  বিষয়ে তথ্য প্ৰকাশিত হয়। এই সমীক্ষাত কম্পিউটাৰ প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে শব্দ বাণীবদ্ধ কৰা কিছু আহিলা স্থাপন কৰা হোৱাৰ পাছত তাত বাণীবদ্ধ হোৱা শব্দসমূহ বিশ্লেষণ কৰা হয়। এই পদক্ষেপৰ সৈতে জড়িত সমগ্ৰ দলটোক প্ৰশংসা কৰি শ্ৰীমোদীয়ে দেশৰ জৈৱ বিচিত্ৰতাৰ আন্তৰ্জাতিক স্বীকৃতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এনে পদক্ষেপসমূহৰ সংবৰ্ধন হোৱা উচিত বুলি মত প্ৰকাশ কৰে।

ঝাৰখণ্ডৰ গুমলা জিলাৰ ওম প্ৰকাশ সাহুৱে মাওবাদ ত্যাগ কৰি মৎস্য পালনক জীৱিকা হিচাপে লোৱাৰ বিষয়ে উল্লেখ কৰি  শ্ৰীমোদীয়ে তেওঁৰ প্ৰশংসা কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত  World Police and Fire games ত ভাৰতে প্ৰায় ৬০৯ টা পদক অৰ্জনেৰে ইতিহাস সৃষ্টি কৰা বুলি তেওঁ উল্লেখ কৰে। পৰৱৰ্তী প্ৰতিযোগিতাখন ২০২৯ চনত ভাৰতত অনুষ্ঠিত হব বুলিও তেওঁ সদৰি কৰে। খেলো ভাৰত নীতি ২০২৫ ক প্ৰশংসা কৰি বহু যুৱ খেলুৱৈ তথা তেওঁলোকৰ অভিভাৱকে বাৰ্তা প্ৰেৰণ কৰা বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে। স্বচ্ছ ভাৰত অভিযানে এঘাৰ বছৰ সম্পূৰ্ণ কৰিবলৈ ওলোৱাৰ পৰিপ্ৰেক্ষিতত চলিত বৰ্ষত ৪ হেজাৰ ৫০০ তকৈ অধিক মহানগৰ তথা চহৰে এই অভিযানত অংশ গ্ৰহণ কৰা বুলি তেওঁ উল্লেখ কৰে। এই ক্ষেত্ৰত তেওঁ অৰুণাচল প্ৰদেশৰ ৰোয়িঙৰ গ্ৰীন ৰোয়িং পদক্ষেপকো প্ৰশংসা কৰে। অনুষ্ঠানৰ শেষত প্ৰধানমন্ত্ৰীগৰাকীয়ে হাৰিয়ালি তিজ উৎসৱ উপলক্ষে দেশৱাসীক শুভেচ্ছা জনায়। তেওঁ লগতে সমাগত ৰাখী বন্ধন, জন্মাষ্টমী তথা নাগ পঞ্চমী উপলক্ষেও জনসাধাৰণলৈ শুভেচ্ছা জনায়।

০০০০

উত্তৰাখণ্ডৰ হৰিদ্বাৰৰ মনসা দেৱী মন্দিৰ যাত্ৰাপথত পদপিষ্ট হৈ ৬ জন লোকে প্ৰাণ হেৰুৱাৰ লগতে কেইবাজনো ভক্ত গুৰুতৰভাৱে আহত হৈছে। উল্লেখযোগ্য যে মূল মন্দিৰভাগৰ চৌহদত সমবেত ভক্তসকলৰ মাজত এডাল উচ্চ ক্ষমতাসম্পন্ন বিদ্যুতৰ পৰিবাহী তাৰ চিগি পৰাৰ ফলত পদপিষ্টৰ ঘটনাটো সংঘটিত হয়।

০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰাখণ্ডৰ হৰিদ্বাৰৰ মনসা দেৱী মন্দিৰ যাত্ৰাত পদপিষ্ট হৈ কেইবাজনো ভক্তৰ মৃত্যু হোৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত নিহতসকলৰ পৰিয়াললৈ সমবেদনা জনোৱাৰ লগতে ঘটনাত আহত সকলৰ আশু-আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়েও পদপিষ্টত নিহত সকলৰ পৰিয়াললৈ সমবেদনা জনায়। তেওঁ লগতে স্থানীয় প্ৰশাসনক ঘটনাত আক্ৰান্ত সকলক সকলোধৰনৰ সহযোগিতা আগবঢ়াবলৈও আহ্বান জনায়।

০০০০

সমাপ্ত